**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 14-06-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

ডিব্ৰুগড়ত দুদিনীয়া ভ্ৰমণসূচীৰে উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ৰ জেইল ৰোডত অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অন্তৰ্গত চিটী হাস্পতালৰ আধাৰশিলা স্থাপন কৰে। বিশ্ব বেংকৰ সাহায্য প্ৰাপ্ত এছিষ্ট প্ৰকল্পৰ অধীনত ২০৬ কোটি টকা ব্যয় সাপেক্ষে ২৮ হাজাৰ ৮৪৪ বৰ্গ মিটাৰ এলেকাজুৰি এই হাস্পতালখন নিৰ্মাণ কৰা হ'ব।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০ শৰ্মাই ডিব্ৰুগড়স্থিত মুখ্যমন্ত্ৰীৰ সচিবালয়ত ধেমাজি জিলাৰ চিচিবৰ গাঁও বিধানসভা সমষ্টিৰ সামগ্ৰিক উন্নয়নৰ লক্ষ্যৰে সমষ্টিটোত ৰূপায়ণ হৈ থকা কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা চলায়। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে সমষ্টিটোৰ বিভিন্ন সমস্যাৰ বুজ লয় আৰু সংশ্লিষ্ট বিষয়াসকলক সমস্যা দূৰ কৰাৰ বাবে যাৱতীয় নিৰ্দেশ প্ৰদান কৰে। সমষ্টিটোৰ বান সমস্যাৰ বুজ লৈ ড০ শৰ্মাই গোঁসাইগাঁও আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত বানে সৃষ্টি কৰা সমস্যা দূৰ কৰাৰ বাবে গাই নদীৰ সৌপিনে মথাউৰিৰ দৈৰ্ঘ্য ১ দশমিক ৬-০ কিলোমিটাৰ বৃদ্ধি কৰাৰ কাম চলিত বিত্তীয় বৰ্ষতে আৰম্ভ কৰিবলৈ জল সম্পদ বিভাগক নিৰ্দেশ দিয়ে। তেওঁ লগতে মৰিঢল আৰু গাই নদীৰ বৰ্তমানৰ মথাউৰি সবলীকৰণত গুৰুত্ব আৰোপ কৰি পৰৱৰ্তী বাজেটত এই সম্পৰ্কীয় আঁচনি অন্তৰ্ভুক্ত কৰিবলৈ কয়। বৈঠকত সমষ্টিটোৰ কৃষকৰ পৰা ধান আৰু সৰিয়হ ক্ৰয় সম্পৰ্কতো আলোচনা কৰা হয়। বৈঠকত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰা, শক্তি মন্ত্ৰী প্ৰশান্ত ফুকন, সাংসদ প্ৰদান বৰুৱা, মুখ্য সচিব এম কে যাদৱ প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

ৰাজ্যৰ কৰ্মচাৰী বিভাগে এখন বিজ্ঞপ্তিযোগে প্ৰশাসনৰ কেইবাগৰাকীও শীৰ্ষ বিষয়াৰ পদৰ সালসলনি ঘটাইছে। এই অনুসৰি মুখ্য সচিব ড০ ৰবি কোটাক বাণিজ্য উদ্যোগ, ৰাজহুৱা উদ্যোগ বিভাগৰ অতিৰিক্ত দায়িত্বৰ পৰা অব্যাহতি দিয়া হৈছে। অতিৰিক্ত মুখ্য সচিব বি কল্যাণ চক্ৰৱৰ্ত্তীক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগলৈ বদলি কৰা হৈছে। একেদৰে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অতিৰিক্ত মুখ্য সচিব জে বি এক্কাক উদ্যোগ আৰু বাণিজ্য বিভাগলৈ বদলি কৰা হৈছে। লাচিত বৰফুকন পুলিচ একাডেমীৰ সঞ্চালক দিগন্ত বৰাক গৃহ আৰু ৰাজনৈতিক বিভাগৰ আয়ুক্ত সচিব পদত নিযুক্তি দিয়া হৈছে। দিগন্ত বৰা পৰ্যটন বিভাগৰ আয়ুক্ত সচিবৰ দায়িতত্বতো থাকিব।

০০০০

বিশ্ব ভাৰতী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপকৰ নতুন পদ সৃষ্টিৰ বাবে কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ৰ অনুদান বিচাৰিবলৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা অনুৰোধ জনাবলৈ বিশ্ববিদ্যালয়খনৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডঃ সংগীতা শইকীয়াই আহ্বান জনাইছে। অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ পাছত এই বিষয়ৰ প্ৰথমখন গৱেষণা পত্ৰৰ প্ৰকাশৰ তত্বাৱধায়ক অধ্যাপক ড০ শইকীয়া আৰু গৱেষিকা ফেন্সী চুতিয়াৰ কথোপকথনৰ আজিৰ দৃষ্টিপাত অনুষ্ঠানত অধ্যাপকগৰাকীয়ে এই কথা উল্লেখ কৰে। তেওঁ কয় যে অসম চৰকাৰে যোৱা বছৰ বিশ্ব ভাৰতী বিশ্ববিদ্যালয়ৰ সৈতে স্বাক্ষৰ কৰা বুজাবুজিৰ চুক্তি অনুসৰি তিনিজন গৱেষণা সহযোগী আৰু এগৰাকী অতিথি অধ্যাপক বিশ্ববিদ্যালয়খনত নিযুক্তিৰ ব্যৱস্থা কৰা হৈছে। অনুষ্ঠানত গৱেষিকা ছাত্ৰীগৰাকীয়ে **অসমীয়া ভাষাত ধ্ৰুপদী উপাদান - এক বিশ্লেষণাত্মক অধ্যয়ন** শীৰ্ষক বিষয়ত তেওঁৰ গৱেষণাৰ সময়ত প্ৰাচীন কামৰূপৰ ইতিহাস বিস্তৃত ৰূপত অধ্যয়ন কৰিছিল বুলি মন্তব্য কৰে। অনুষ্ঠানত ড০ শইকীয়াই অসমীয়া ভাষাৰ সমৃদ্ধ ইতিহাস আৰু কামৰূপী লিপিৰ স্বকীয়তাৰ বিষয়ে উল্লেখ কৰে।

কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত তৈল প্ৰতিষ্ঠানৰ পৰা গেছ নিৰ্গমনজনিত দুৰ্ঘটনা সন্দৰ্ভত তথ্য চিত্ৰ নিৰ্মাতা জয়চেং জয়দহোতিয়া আৰু আমাৰ শিৱসাগৰৰ সংবাদদাতা মুজাহিদ আলীৰ প্ৰতিবেদনৰ আধাৰত যুগুতোৱা অনুষ্ঠান শুনিবলৈ পাব। অনুষ্ঠানটিৰ প্ৰযোজনা, পৰিচালনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

ৰাজ্যৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি বাক্সা জিলাৰ শালবাৰী মহাবিদ্যালয় খেলপথাৰত ২১ জুনত হ'বলগীয়া ৰাজ্যিক পৰ্যায়ৰ যোগ দিৱসৰ কাৰ্যসূচীৰ বুজ লয়। এই কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থকাৰ কথা। যোগ দিৱসৰ প্ৰস্তুতিৰ বুজ লৈ মন্ত্ৰীগৰাকীয়ে ৰাইজে বি টি চি নিৰ্বাচনৰ বাবে বিজেপিক আদৰি লোৱা বুলি মন্তব্য কৰে। তেওঁ কয় যে এইবাৰৰ বি টি চি নিৰ্বাচনত দলটোৱে ২৫ৰ পৰা ৩০খন আসনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

০০০০

দৰং জিলাত শেহতীয়াকৈ জাপানীজ এনচেফেলাইটিছ ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটিছে। এই পৰ্যন্ত জিলাখনত দুটি শিশু আৰু তিনিগৰাকী মহিলাসহ মুঠ ৬গৰাকী লোকৰ শৰীৰত ৰোগবিধৰ বীজাণু ধৰা পৰিছে। জিলা স্বাস্থ্য বিভাগে ৰোগবিধ প্ৰতিহত কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০

হাজোৰ পি এম শ্ৰী দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি ইন্‌লী ফাউণ্ডেচনৰ উদ্যোগত বিদ্যালয়খনৰ মহাৰজত জয়ন্তী বৰ্ষৰ সৈতে সংগতি ৰাখি লীলাৱতী দাস সোঁৱৰণী কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত এছ বি দেওৰা কলেজৰ শক্তিমান পেগু আৰু পাৰ্থপ্ৰতীম ভৰলুৱাই শ্ৰেষ্ঠ দল আৰু উত্তৰ লখিমপুৰ স্বতন্ত্ৰ মহাবিদ্যালয়ৰ ছাত্ৰ শচীন দলে শ্ৰেষ্ঠ দৰ্শকৰ পুৰস্কাৰ লাভ কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৯৮গৰাকী প্ৰতিযোগীয়ে ভাগ লোৱা প্ৰতিযোগিতাখন ডাঃ সমুজ্জ্বল ভৰদ্বাজে পৰিচালনা কৰে।

০০০০

সমাপ্ত